# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-12-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

০০০০০

বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি চিৰাং, ধুবুৰী, কাৰ্বি আংলং, মাজুলী, শিৱসাগৰ, দক্ষিণ শালমাৰা আৰু ওদালগুৰি জিলাত প্ৰজ্ঞান ভাৰতীকে ধৰি কেইবাখনো আঁচনি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰীয়ে ৰূপায়ণ কৰে।

**চিৰাং** জিলাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু সকাহ আঁচনিৰ অধীনত ৫২৩ গৰাকী মহিলাক ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান কৰে। তেওঁ লগতে আত্মসহায়ক গোটৰ খাদ্য প্ৰসংস্কৰণৰ লগত জড়িত ১২ গৰাকী মহিলাৰ মাজত প্ৰাৰম্ভিক মূলধন বিতৰণ কৰে।

**কাৰ্বি আংলং** জিলাৰ ডিফুৰ তাৰালাংছ'ত কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে ২৭৪ গৰাকী কৃতি শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা বঁটাৰ চেক বিতৰণ কৰাৰ লগতে ৫১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক ড০ বাণীকান্ত কাকতি মেধা বঁটা হিচাপে স্কুটী আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীৰ ৫ হাজাৰ ৩০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে।

**দক্ষিণ শালমাৰাৰ মানকাচৰ** জিলাত জিলাখনৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই এই উপলক্ষে আয়োজিত কাৰ্যসূচীত ৭ হাজাৰ ৪৫২টা বানত ক্ষতিগ্ৰস্ত পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে খাদ্য প্ৰসংস্কৰণৰ লগত জড়িত ৪১টা আত্মসহায়ক গোটৰ মহিলাসকলৰ মাজত প্ৰাৰম্ভিক মূলধন বিতৰণ কৰে।

**শিৱসাগৰ** জিলাত আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত এহেজাৰ ৭৭৮ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ স্কুটী বিতৰণ কৰাৰ লগতে এহেজাৰ ১৪১ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটাৰ পুৰস্কাৰ প্ৰদান কৰে। একেটা অনুষ্ঠানতে শ্ৰীপেগুৱে মুখ্যমন্ত্ৰী বিকাশ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ৭ হাজাৰ ২৫৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে।

মাজুলীত বিকাশৰ ১২ দিনৰ অনুষ্ঠানত মন্ত্ৰী নন্দিতা গাৰ্লোচাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী আৰু হিতাধিকাৰীসকলৰ মাজত বিভিন্ন বঁটা তথা আৰ্থিক সাহায্য বিতৰণ কৰে।

০০০০০০

নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ আহ্বানত দলটোৰ সদস্যসকলে দেশজুৰি পালন কৰা **ৰাজভৱন চলো** কাৰ্যসূচীৰ অংশ হিচাপে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সদস্যসকলেও আজি গুৱাহাটীত ৰাজভৱন চলো প্ৰতিবাদ সাব্যস্ত কৰে। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু দলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰা এই কাৰ্যসূচীক বাধা দিবলৈ আৰক্ষীয়ে ৰাজভৱনৰ প্ৰৱেশদ্বাৰৰ সন্মুখত বেষ্টনী গঢ়ি তোলে। এই বেষ্টনী পাৰ হৈ যাবলৈ চেষ্টা কৰা প্ৰতিবাদকাৰীসকলক আৰক্ষীয়ে বাধা দিয়ে। প্ৰতিবাদকাৰীক বাধা দিবলৈ আৰক্ষীয়ে কন্দুৱা গেছো প্ৰয়োগ কৰিবলগীয়া হয়। প্ৰতিবাদকাৰীক ছত্ৰভংগ দিয়াবলৈ চলোৱা চেষ্টাৰ সময়ত মৃদুল ইছলাম নামৰ এজন কংগ্ৰেছ কৰ্মী আহত হয় আৰু পাছত তেওঁৰ হাস্পতালত মৃত্যু হয়। এই ঘটনা সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আজি আবেলি লতাশিল আৰক্ষী থানাত এখন এজাহাৰ

দাখিল কৰে। এজাহাৰখনত আৰক্ষীৰ কন্দুৱা গেছ প্ৰয়োগৰ ফলতেই মৃদুল ইছলামৰ মৃত্যু হয় বুলি কংগ্ৰেছ দলে অভিযোগ কৰিছে। গুৱাহাটীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই এই ঘটনা সন্দৰ্ভত কয়, যে আজি কংগ্ৰেছৰ প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ তিনিটাকৈ আবেষ্টনী ভেদ কৰি ৰাজভৱনত প্ৰৱেশৰ চেষ্টা কৰে। ব্ৰহ্মপুত্ৰ অতিথিশালাৰ ৰ'টাৰিত অৱস্থানৰত দ্বিতীয় আবেষ্টনী পাৰ হ'বলৈ চেষ্টা কৰাৰ সময়ত আৰক্ষীয়ে পকী ৰাস্তাত প্ৰতিবাদকাৰীসকলৰ মাজলৈ কন্দুৱা গেছৰ গোলা চলাই দিবলৈ বাধ্য হয়। আৰক্ষীয়ে কন্দুৱা গেছৰ বন্দুকেৰে গোলা নিক্ষেপ কৰা নাছিল বুলি শ্ৰীবৰাই জানিবলৈ দিয়ে। হাস্পতালত মৃত্যু হোৱা লোকজন ঘটনাস্থলীৰ পৰা গৈ বাহনত পানী খোৱা অৱস্থাত সংজ্ঞাহীন হৈ পৰিছিল বুলিও আৰক্ষী আয়ুক্তগৰাকীয়ে স্পষ্ট কৰি দিয়ে।

ooooo

বিশিষ্ট কবি সমীৰ তাঁতীলৈ এই বছৰৰ সন্মানজনক সাহিত্য একাডেমী বঁটা আগবঢ়োৱা হৈছে। সাহিত্য একাডেমীয়ে আজি নতুন দিল্লীত ঘোষণা কৰা ২১টা ভাৰতীয় ভাষাৰ ভিতৰত অসমীয়া ভাষাত **ফৰিংবোৰে ৰাটৰ কথা জানে** কাব্যগ্ৰন্থৰ বাবে সমীৰ তাঁতীক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। বড়ো ভাষাৰ ঔপন্যাসিক অৰণ ৰাজাক এই বছৰৰ সাহিত্য একাডেমীৰ বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। হাউবাম সত্যৱতী দেৱীক তেওঁৰ কাব্য সংকলনৰ বাবে মণিপুৰী ভাষাত এই বছৰৰ সাহিত্য একাডেমী বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে।

১৯৫৫ চনৰ ৬ ফেব্ৰুৱাৰীত গোলাঘাট জিলাৰ বোকাখাটৰ সমীপৰ বিহৰা চাহ বাগিচাত জন্মগ্ৰহণ কৰা সমীৰ তাঁতীয়ে দেৰগাঁৱৰ কমল দুৱৰা মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। আধুনিক অসমীয়া কবিসকলৰ ভিতৰত অন্যতম প্ৰগতিশীল আৰু মানৱতাবাদী কবি হিচাপে পৰিচিত সমীৰ তাঁতীৰ এতিয়ালৈকে মুঠ ১৪ খন কাব্য সংকলন প্ৰকাশিত হৈছে। ২০১২ চনত তেওঁক মেগৰ সাহিত্য ন্যাসৰ সন্মানজনক অসম উপত্যকা সাহিত্য বঁটাৰে সন্মানিত কৰা হয়। এই বঁটাই তেওঁক উৎসাহিত কৰিছে আৰু নতুন সৃষ্টিৰ বাবে তেওঁক অনুপ্ৰাণিত কৰিব বুলি কবিগৰাকীয়ে মন্তব্য কৰিছে।

ooooo

তেজপুৰ বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ সহকাৰী অধ্যাপক ড০ গোমা দেৱী শৰ্মাই দেৱক'টা লু শুন প্ৰজ্ঞা আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। নেপালী সাহিত্য আৰু অনুবাদৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে নেপালৰ দেৱক'টা লু শুন প্ৰজ্ঞা একাডেমীয়ে অধ্যাপকগৰাকীলৈ এই বঁটা আগবঢ়াইছে। ড০ শৰ্মাৰ মননশীল লিখনিয়ে শৈক্ষিক সমাজত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছে।

ooooo

অসম ক্ৰিকেট সন্থাই ২১ ডিচেম্বৰৰ পৰা ৰাজস্থানৰ জয়পুৰত হ'বলগীয়া বিজয় হাজাৰে ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে খেলুৱৈসকলৰ নাম ঘোষণা কৰিছে। শিৱশংকৰ ৰয়ক অধিনায়ক আৰু সুমিত ঘাডিগাওকাৰক উপ-অধিনায়ক হিচাপে বাছনি কৰা হৈছে। দলৰ বাকী সদস্যসকলৰ ভিতৰত পাৰভেজ মুশ্বাৰফ, ঋষভ দাস, স্বৰূপম পুৰকায়স্থ, ডেনিছ দাস, ছাহিল জৈন, অভিষেক ঠাকুৰি, মৃণাল দত্ত, মুখতাৰ হুছেইন, আকাশ সেনগুপ্ত, ৰাহুল সিং, অভিনৱ চৌধুৰী, দৰ্শন ৰাজবংশী আৰু অনুৰাগ তালুকদাৰ আছে।

ooooo

সমাপ্ত